# ভাৰতৰ উচ্চতম ন্যায়ালয়

আবেদনকাৰীঃ

শ্ৰী শংকৰী প্ৰসাদ সিং দেও

বনাম

উত্তৰদাতা: ভাৰত চৰকাৰ আৰু বিহাৰ ৰাজ্য (আৰু অন্যান্য গোচৰ)।

ৰায়দানৰ তাৰিখ:

০৫/১০/১৯৫১

বিচাৰপীঠ:

শাস্ত্ৰী, এম পতঞ্জলি

বিচাৰপীঠ:

শাস্ত্ৰী, এম পতঞ্জলি

কনিয়া, হীৰালাল জে (চি জে)

মুখাৰ্জী, বি.কে.

দাস, সুধি ৰঞ্জন

আইয়াৰ, এন. এন. চন্দ্ৰশেখৰা

উদ্ধৃতি:

১৯৫১ এআইআৰ ৪৫৮ ১৯৫২ এছচিআৰ ৮৯

উদ্ধৃতিদাতাৰতথ্য :

এফ ১৯৫২ এছ চি ২৫২ (১, ৩০)

আৰ এফ ১৯৫৪ এছ চি ২৫৭ (৪)

আৰ ১৯৫৯ এছ চি ৩৯৫ (২৮)

ই এণ্ড ডি ১৯৫৯ এছ চি ৫১২ (৪)

এফ ১৯৬৫ এছ চি ৮৪৫ (২০,২১,২৩,২৪,২৫,২৭,৩৩,৩৫,৩৮,৩৯

আৰ ১৯৬৫ এছ চি১৬৩৬ (২৫)

অ ১৯৬৭ এছ চি ১৬৪৩ (১২,১৪,২৩,২৭,৪৩,৪৪,৫৬,৫৯,৬১,৬৩

আৰ এফ ১৯৭৩ এছ চি ১৪৬১ (১৬,২০,২৭,৩০,৩২,৩৮,৩৯,৪৪,৪৬,৮৮

আৰ এফ ১৯৭৫ এছ চি১১৯৩ (১৭)

আৰ এফ ১৯৭৫ এছ চি ২২৯৯ (৬৪৯)

আৰ এফ ১৯৮০ এছ চি ১৭৮৯ (৯৬)

আৰ এফ ১৯৮০ এছ চি২০৫৬ (৬১)

আৰ এফ ১৯৮০ এছ চি২০৯৭ (৬)

ডি ১৯৮১ এছ চি ২৭১ (১৯,৩৩,৪২,৪৩)

আৰ এফ ১৯৮৬ এছ চি১২৭২ (৭৮)

আৰ এফ ১৯৮৬ এছ চি ১৫৭১ (৩৪)

আৰ এফ ১৯৮৭ এছ চি১১৪০ (৩)

আইন:

সংবিধান (প্ৰথম সংশোধনী) আইন, ১৯৫১, অনুচ্ছেদনং৩১ক, ৩১খ-বৈধতা--ভাৰতৰ সংবিধান, ১৯৫০, অনুচ্ছেদনং১৩(২), ৩৬৮, ৩৭৯, ৩৯২--অস্থায়ী সংসদ--সংবিধান সংশোধনৰ ক্ষমতা- সংবিধান (অসুবিধা আঁতৰোৱা) ১৯৫০ চনৰ ২ নং আদেশ--বৈধতা --সংবিধান সংশোধন--পদ্ধতি--বিধানসভাৰ দ্বাৰা সংশোধিত বিধেয়ক --মৌলিক অধিকাৰ হ্ৰাস কৰা সংশোধনী--ভূমি প্ৰভাৱিত কৰা সংশোধনী--সংশোধনী আইনৰ বৈধতা।

শিৰোনাম:

সংবিধান (প্ৰথম সংশোধনী) আইন, ১৯৫১, যিয়ে অন্যান্য বিষয়ৰ লগতে অনুচ্ছেদ ৩১ক আৰু ৩১খসমূহ ভাৰতৰ সংবিধানত সন্নিৱিষ্ট কৰিছে, সেয়া ক্ষেত্ৰাধিকাৰৰ বাহিৰত বা অসাংবিধানিক নহয়।

অস্থায়ী সংসদে ৩৬৮অনুচ্ছেদৰ অধীনত, সংবিধান সংশোধনৰ ক্ষমতা প্ৰয়োগ কৰিবলৈ যোগ্য। উক্ত অনুচ্ছেদটোত সংসদৰ দুয়োটা সদন আৰু ৰাষ্ট্ৰপতিক পৃথকে পৃথকে উল্লেখ কৰাটোৱে এইটো নুবুজায় যে সংশোধনী কৰিবলৈ কৰ্তৃত্বপ্ৰাপ্ত সংস্থাটো সংসদ নিজেই নহয় বৰঞ্চ দুয়োটা সদনক সামৰি লোৱা এটা সুকীয়া সংস্থা।

৩৭৯ নং অনুচ্ছেদত উল্লেখ থকা"এই সংবিধানৰ বিধানে সংসদক প্ৰদান কৰা সকলো ক্ষমতা" বাক্যাংশটোৰ দ্বাৰা কেৱল এটা কক্ষৰ সৈতে অস্থায়ী সংসদক দিয়া ক্ষমতাৰ বিষয়েই সীমাবদ্ধ নহয়, কিন্তুইয়াৰ উপৰিও ৩৬৮ নং অনুচ্ছেদত প্ৰদান কৰা সংবিধান সলনি বা সংশোধন কৰাৰ ক্ষমতাও অন্তৰ্ভুক্ত কৰিবপৰাকৈ যথেষ্ট বহল।

১৯৫০ চনৰ ২৬ জানুৱাৰীত ৰাষ্ট্ৰপতিয়ে দিয়া সংবিধান (অসুবিধা আঁতৰোৱা) আদেশ নং ২, যিয়ে ৩৬৮ নং অনুচ্ছেদৰ লগত থাপ খুৱাই লোৱাৰ উদ্দেশ্যেৰেকিছুমান বাক্যাংশ যেনে "যিকোনো এটা সদন" আৰু "প্ৰতিটো সদনত" আঁতৰাই, লগতে "সেই সদন"ৰ সলনি "সংসদ" ব্যৱহাৰ কৰাটো, ৰাষ্ট্ৰপতিক ৩৯:১ অনুচ্ছেদে দিয়া ক্ষমতাৰ ভিতৰত আছিল আৰু ই অবৈধ নাছিল। অনুচ্ছেদ ৩৯২ ত কোৱা হোৱা নাই যে ৰাষ্ট্ৰপতিয়ে এটা নিৰ্দিষ্ট অনুচ্ছেদ সংশোধন কৰাৰ আগতে এনে এটা পৰিস্থিতিৰ উদ্ভৱ হ'ব লাগিব য'ত অস্থায়ী সংসদৰ বাবে অনুচ্ছেদৰ দ্বাৰা প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰিবপৰাযায়।

এই ধাৰণাটো ভুল যে ৩৬৮ অনুচ্ছেদত সংবিধান সংশোধনৰ সম্পূৰ্ণ পদ্ধতি প্ৰদান কৰা হৈছে আৰু এবাৰ উত্থাপন হ'লে বিধেয়ক এখনৰ পৰিৱৰ্তনৰ অনুমতি দিয়া হোৱা নাই আৰু যেতিয়া সংবিধান সংশোধনৰ বাবে বিধেয়কএখন বিধান প্ৰক্ৰিয়াৰ মাজেৰে যোৱাৰ সময়ত সংশোধন কৰা হয়, তেন্তে ইয়াৰ অৰ্থ এইটো নহয় যে সংশোধনীখন অবৈধ হয় যদিহে ই ৩৬৮ নং অনুচ্ছেদত উল্লেখ কৰা সামগ্ৰিক পদ্ধতি অনুসৰণ কৰে।

"আইন"ত সাধাৰণতে সাংবিধানিক আইন আৰু সাধাৰণ আইন দুয়োটা অন্তৰ্ভুক্ত থাকে। অৱশ্যে, তেওঁলোকৰ মাজত এক স্পষ্ট পাৰ্থক্য আছে। সাধাৰণ আইন বিধান কৰ্তৃত্বৰ জৰিয়তে সৃষ্টি কৰা হয়, আনহাতে সাংবিধানিক আইন গঠনমূলক ক্ষমতাৰ জৰিয়তে

সৃষ্টি কৰা হয়।১৩ নং অনুচ্ছেদৰ প্ৰসংগত, "আইন"ৰ অৰ্থ হ'ল সাধাৰণ বিধান ক্ষমতাৰ ব্যৱহাৰত কৰা নিয়ম বা বিধি, গঠনমূলক ক্ষমতাৰ ব্যৱহাৰত কৰা সংবিধানৰ সংশোধনী নহয় যাৰ ফলত অনুচ্ছেদ ১৩(২)য়েঅনুচ্ছেদ ৩৬৮ৰ অধীনত কৰা সংশোধনীত কোনো প্ৰভাৱ নেপেলায়।

সংবিধান (প্ৰথম সংশোধনী) আইন, ১৯৫১ৰ দ্বাৰা সংবিধানত সন্নিৱিষ্ট কৰা অনুচ্ছেদ ৩১ক আৰু ৩১খয়ে ২২৬ নং অনুচ্ছেদৰ অধীনত উচ্চ ন্যায়ালয়য়ে তৃতীয় খণ্ডত (Part III) প্ৰদান কৰা যিকোনো অধিকাৰ বলবৎ কৰাৰ বাবে ৰিটবালেখ জাৰী কৰিবলৈবা উচ্চতম ন্যায়ালয়ে ১৩২ আৰু ১৩৬ নং অনুচ্ছেদৰ অধীনত ৰিট জাৰী কৰা বা অস্বীকাৰ কৰা আদেশৰ পৰা আপীল গ্ৰহণ কৰাৰ অধিকাৰ বা ক্ষমতা হ্ৰাস নকৰে; তেওঁলোকে কেৱল তৃতীয় খণ্ডৰ পৰিসৰৰ পৰা কিছুমান বিশেষ শ্ৰেণীৰ গোচৰক বাদ দিয়ে ।সেয়েহে এই অনুচ্ছেদসমূহ ৩৬৮ নং অনুচ্ছেদৰ বিধানৰ দফা (খ)ৰ অধীনত অনুমোদনৰ প্ৰয়োজন নাই।

অনুচ্ছেদ নং ৩১ক আৰু ৩১খ, ৰাজ্য তালিকা (দ্বিতীয় তালিকাৰ ১৮ নং আইটেম) অনুসৰি ৰাজ্যসমূহৰ অধিকাৰক্ষেত্ৰৰ অন্তৰ্ভুক্ত বিষয় 'ভূমি' ৰ সৈতে জড়িত হ'লেও, সেই ভিত্তিত অবৈধ বুলি গণ্য কৰা নহব', কাৰণ এই অনুচ্ছেদবোৰ সাধাৰণতে সংবিধানৰ সংশোধনী আৰু কেৱল সংসদৰহে ইয়াক প্ৰণয়ন আৰু কাৰ্যকৰী কৰাৰ ক্ষমতা আছে।

ৰায়:

মূল অধিকাৰক্ষেত্ৰ:

সংবিধানৰ ৩২নং অনুচ্ছেদৰ অধীনত আবেদন। (১৯৫১ চনৰ আবেদন নং ১৬৬, ২৮৭, ৩১৭ৰ পৰা ৩১৯, ৩৭১, ৩৭২, ৩৭৪ৰ পৰা ৩৮৯, ৩৯২ৰ পৰা ৩৯৫, ৪১৮, ৪৮১ৰ পৰা ৪৮৫)। এই আবেদনসমূহৰ সূচনা কৰা তথ্যসমূহ ৰায়দানত উল্লেখ কৰা হৈছে।

ছেপ্টেম্বৰৰ ১২, ১৪, ১১, ১৮ আৰু ১৯ তাৰিখে যুক্তিৰ শুনানি গ্ৰহণ কৰা হয়।

৩৭১, ৩৭২, ৩৮২, ৩৮৩, ৩৮৮ আৰু ৩৯২ নং আবেদনত আবেদনকাৰীৰ বাবে পি.আৰ.দাসে (বি. সেনৰ সৈতে)। সংবিধানৰ ৩৬৮ অনুচ্ছেদ নিজেই এক সম্পূৰ্ণ সংহিতা। ইয়াত বিধেয়কখন উত্থাপন কৰাৰ পিছত কোনো ধৰণৰ সংশোধনীৰ কথা চিন্তা কৰা হোৱা নাই।বিধেয়কখন ৰাষ্ট্ৰপতিৰ দ্বাৰা গৃহীত আৰু সন্মতি দিব লাগিব কিয়নো ইয়াক কোনো সংশোধন অবিহনে উত্থাপন কৰা হৈছিল।যিহেতু সংবিধান সংশোধনী বিধেয়ক খন সংসদৰ মাজেৰে গৃহীত হোৱাৰ সময়ত বিভিন্ন ক্ষেত্ৰত সংশোধন কৰা হৈছিল, সংবিধান (প্ৰথম সংশোধনী) আইনখন ৩৬৮ নং অনুচ্ছেদত নিৰ্ধাৰিত প্ৰক্ৰিয়া অনুসৰি গৃহীত হোৱা নাছিল আৰু সেয়েহে ই অবৈধ। যেতিয়া সংসদে ইয়াৰ সাধাৰণ আইনী ক্ষমতা প্ৰয়োগ কৰে, তেতিয়া ইয়াৰ অনুচ্ছেদ ১০৭, ১০৮, ১০৯ (৩) আৰু (৪)ৰ অধীনত বিধেয়কখন সংশোধন কৰাৰ ক্ষমতা থাকে। যেতিয়া ই সংবিধান সংশোধন কৰিব বিচাৰে তেতিয়া ইয়াৰ এনে কোনো ক্ষমতা নাই কিয়নো অনুচ্ছেদ ৩৬৮এ এনে কোনো ক্ষমতা প্ৰদান নকৰে: ১৯১১ চনৰ সংসদ আইন(ইংলেণ্ডৰ)(The Parliament Act of 1911 (of England)।অনুচ্ছেদনং ৩৬৮এ সংবিধান সংশোধন কৰাৰ ক্ষমতা সংসদকপ্ৰদান কৰানাই, কিন্তু প্ৰদান কৰিছে এক পৃথক সংস্থাত, যেনে সংসদৰ দুয়োখন সদনৰ দুই-তৃতীয়াংশ সংখ্যাগৰিষ্ঠতা। আন অনুচ্ছেদত যি সংসদ শব্দটো দেখা যায়, ৩৬৮ নং অনুচ্ছেদত সেইটো

উদ্দেশ্যপ্ৰণোদিতভাৱে পৰিহাৰ কৰা হৈছে।সাধাৰণ আইনী ক্ষমতা আৰু সংবিধান সংশোধনৰ ক্ষমতাৰ মাজত পাৰ্থক্য আছে। এই পাৰ্থক্য আমেৰিকাত পালন কৰা হয় আৰু সংবিধান সংশোধনৰ ক্ষমতা তাত এটা বেলেগ সংস্থাত ন্যস্ত কৰা হৈছে। উইলিছ, পৃষ্ঠা ৮৭৫, কুলি ভল. ১.পৃষ্ঠা ৪, অৰফিল্ড, পৃষ্ঠা ১৪৬ৰ জৰিয়তে। অনুচ্ছেদ ৩৭৯ ত অস্থায়ী সংসদৰ ক্ষমতাক আইনী সংস্থা হিচাপে কোৱা হৈছে। ৩৬৮ নং অনুচ্ছেদৰ অধীনৰ ক্ষমতাসমূহ ৩৭৯ নং অনুচ্ছেদৰ অধীনত অস্থায়ী সংসদে ব্যৱহাৰ কৰিব নোৱাৰে আৰু ব্যৱহাৰ কৰাৰ উদ্দেশ্যও নাছিল। যিহেতু ই কেৱল একক চেম্বাৰে গঠিত সেয়েহে সংবিধান (অসুবিধা আঁতৰোৱা) আদেশ নং ২ৰ দ্বাৰা ৩৬৮ নং অনুচ্ছেদত কৰা অভিযোজনসমূহ ক্ষেত্ৰাধীকাৰৰ বাহিৰত।৩৯২ অনুচ্ছেদত ৰাষ্ট্ৰপতিক সংবিধানৰ কাম-কাজত উদ্ভৱ হোৱা অসুবিধাসমূহহে আঁতৰোৱাৰ ক্ষমতা প্ৰদান কৰা হৈছে।সংবিধানৰ দ্বাৰা ইচ্ছাকৃতভাৱে প্ৰৱৰ্তন কৰা সংবিধান সংশোধনৰ পথৰ অসুবিধাবোৰ আঁতৰাবলৈ ইয়াক ব্যৱহাৰ কৰিব নোৱাৰি।সংবিধানখন বলবৎ হোৱাৰ দিনাই সংবিধানৰ কাম-কাজত সম্ভৱতঃ কোনো অসুবিধা অনুভৱ কৰিব লগা হোৱা নাছিল হয়তো।

পঞ্চম খণ্ডৰ ২ নং দফাৰ অধীনত গঠিত দুটা সদনৰে গঠিত সংসদৰ দ্বাৰাহে কেৱল আইনগত ভাৱে সংবিধানখন সংশোধন কৰিব পাৰি।যিকোনো পৰিস্থিতিত, তৃতীয় খণ্ডৰ দ্বাৰা নিশ্চিত কৰা মৌলিক অধিকাৰ সম্পৰ্কীয় ব্যৱস্থা উলংঘন কৰিলে, অনুচ্ছেদ ১৩ (২)ৰ অধীনত বিবাদিত আইনখন বাতিল কৰা হ'ব।অনুচ্ছেদ ১৩ (২)ত 'আইন'ত স্পষ্টভাৱে সংসদৰ দ্বাৰা গৃহীত সকলো আইন অন্তৰ্ভুক্ত আছে আৰু সংবিধান সংশোধন কৰা অনুচ্ছেদ ৩৬৮ৰ অধীনত গৃহীত আইন অন্তৰ্ভুক্ত থাকিবই লাগিব: সংবিধান সভা তৰ্ক, ভলিউম IX নং ৩৭, পৃষ্ঠা ১৬৪৪, ১৬৪৫, ১৬৬১, ১৬৬৫।

এছ.এম. বসু (তেওঁৰ সৈতেএম. এল. চতুৰ্বেদী)৩৭৫ নং আবেদনত আবেদনকাৰীৰ বাবে। ৩৬৮ নং অনুচ্ছেদত "কেৱল" শব্দটোৱে ইয়াৰ পিছত অহা সকলো কথাকে বুজায়। ৩৬৮ নং অনুচ্ছেদত কোনো বিধেয়ক উত্থাপনৰ পিছত সংশোধন কৰাৰ বিষয়ে চিন্তা কৰাহোৱা নাই। ৰাষ্ট্ৰপতিৰ আদেশ ৩৯২ নং অনুচ্ছেদত উল্লেখ কৰা অনুসৰি তেওঁৰ ক্ষমতাৰ বাহিৰলৈ গৈছে। অনুচ্ছেদ ৩৬৮ ত কাম কৰাত কোনো অসুবিধা নাই আৰু ৰাষ্ট্ৰপতিয়ে ৩৯২ নং অনুচ্ছেদৰ অধীনত ক্ষমতা প্ৰয়োগ কৰাৰ সময়ত ৩৬৮ নং অনুচ্ছেদ ব্যৱহাৰ কৰাৰ প্ৰয়োজন নাই।

আৱেদন নং ৩৬৮ত আবেদনকাৰীৰ বাবে এছ. চৌধুৰী (তেওঁৰ সৈতেএম.এল. চতুৰ্বেদী) পি.আৰ. দাস আৰু এছ.এম. বসুৰ যুক্তিয়ে গ্ৰহণ কৰিছিল।

আৱেদন নং ৩৮৭ত আবেদনকাৰীৰ বাবে এছ.কে. ধৰ (তেওঁৰ সৈতে নানকচান্দ আৰু এম.এল. চতুৰ্বেদী)। অনুচ্ছেদ নং ৩৭৯, যাৰ ওপৰত সংবিধান সংশোধনৰ বাবে অস্থায়ী সংসদৰ অধিকাৰক্ষেত্ৰ আধাৰিত, ই কেৱল উক্ত সংসদক সংসদৰ ক্ষমতা প্ৰয়োগ কৰাৰ অধিকাৰপ্ৰদান কৰাই নহয়, লগতে সংবিধানৰ দ্বাৰা সংসদৰ ওপৰত আৱদ্ধ সকলো কৰ্তব্য পালন কৰাৰ বাধ্যবাধকতাও আৰোপ কৰে।সেয়েহে সংসদে তৃতীয় খণ্ডৰ দ্বাৰা নিশ্চিত কৰা নাগৰিকসকলৰ সম্পত্তিৰ অধিকাৰ সংক্ষিপ্ত কৰিবলৈ বিচাৰিব নোৱাৰে।যিহেতু বৰ্তমানৰ আইনখনে তৃতীয় খণ্ডৰ বিধান উলংঘা কৰিছে, সেয়েহে ১৩ (২)নং অনুচ্ছেদৰ অধীনত ই অকাৰ্যকৰি। যিকোনো পৰিস্থিতিতেই, নতুন অনুচ্ছেদ ৩১ক আৰু ৩১খয়ে ৩২, ১৩২ আৰু ১৩৬ নং অনুচ্ছেদৰ অধীনত উচ্চতম ন্যায়ালয়ৰ ক্ষমতা আৰু ২২৬ নং অনুচ্ছেদৰ অধীনত উচ্চ ন্যায়ালয়ৰ ক্ষমতা হ্ৰাস কৰে, আৰু সেইবাবেই, ইয়াক ৩৬৮ নং অনুচ্ছেদৰ বিধানৰ দফা (বি)ৰ অধীনত অনুমোদনৰ প্ৰয়োজন আছিল আৰু অনুমোদন নোহোৱাৰ বাবে সেইবোৰ অকাৰ্যকৰি

আৰু অসাংবিধানিক।এইসমূহ অধিকাৰক্ষেত্ৰৰ বাহিৰত কাৰণ এইবোৰ ভূমিৰ সৈতে সম্পৰ্কিত বিষয়, যিটো বিষয়দ্বিতীয় তালিকাত সামৰি লোৱা হৈছে (১৮ নং আইটেম চাওক)আৰু যাৰ ওপৰত ৰাজ্যিক বিধানসভাৰ একচেটিয়া ক্ষমতা আছে।সংসদে যি আইন প্ৰণয়ন কৰাৰ কোনো ক্ষমতা নাথাকে, সেই আইনক বৈধতা প্ৰদান কৰি অন্য আইন প্ৰণয়ন কৰিব নোৱাৰে।

এন.পি. আস্থানা (তেওঁৰ সৈতেকে.বি.আস্থানা)আবেদন নং ৪৮১ৰ পৰা ৪৮৪লৈকে আবেদনকাৰীসকলৰ বাবে।অনুচ্ছেদ নং ৩৩৮এ, কোনো সংস্থাক সংবিধান সংশোধনৰ ক্ষমতা প্ৰদান নকৰে। ইয়াত কেৱল সংবিধান সংশোধনৰ বাবে অনুসৰণ কৰিব লগা পদ্ধতিটো নিৰ্ধাৰণ কৰা হৈছে।এই দৃষ্টিভংগীত অনুচ্ছেদ ৩৭৯ একেবাৰেই কাৰ্যকৰী নহয়।৩৯২ নং অনুচ্ছেদৰ অধীনত ৰাষ্ট্ৰপতিয়ে নিজেই সংবিধান সলনি কৰিব পাৰে যদিও তেওঁ অস্থায়ী সংসদক তেনে কৰিবলৈ কৰ্তৃত্ব প্ৰদান কৰিব নোৱাৰে।

আবেদন নং ৪৮৫ত আবেদনকাৰীৰ বাবে এছ পি সিনহা (তেওঁৰ লগত নানক চান্দ)।অনুচ্ছেদ নং ১৩(২)ৰ পৰিসৰ যথেষ্ট বিস্তৃত আৰু ই অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ সকলো আইন অবৈধ কৰে যিয়ে দ্বিতীয় খণ্ডৰ(১)দ্বাৰা প্ৰদান কৰা অধিকাৰ হ্ৰাস কৰিব বিচাৰে। ই অনুচ্ছেদ ৩৬৮ ৰ অধীনত গৃহীত আইনসমূহক ইয়াৰ কাৰ্যকলাপৰ পৰা ৰেহাই নিদিয়ে।

এন.চি. চেটাৰ্জী (ভি.এন. স্বামীৰ সৈতে ২৮৭ নং আবেদনত আবেদনকাৰীৰ হৈ আৰু ৩১৮ নং আবেদনত আবেদনকাৰীৰ হৈ আব্দুল ৰাজ্জাক খানৰ সৈতে)। অনুচ্ছেদ ১৩(২)ত উল্লেখ কৰা নিৰ্দেশনা অনুসৰি ৩৬৮ নং অনুচ্ছেদৰ ব্যাখ্যা কৰিব লাগে।৩১ক আৰু ৩১খ নং অনুচ্ছেদসমূহ বিধায়িনী প্ৰকৃতিৰ আৰু সংসদৰ আইন

প্ৰণয়নৰ ক্ষমতা প্ৰয়োগত প্ৰণয়ন কৰা হৈছিল, সংবিধান সংশোধনৰ কোনো ক্ষমতা প্ৰয়োগত নহয় আৰু সংসদৰ এনে আইনসমূহ বৈধ কৰাৰ কোনো ক্ষমতা নাই যিবোৰ প্ৰণয়ন কৰাৰ ক্ষমতা সংসদৰ নাথাকে।

এন.আৰ.ৰাঘৱচাৰী (তেওঁৰ সৈতেভি. এন. স্বামী)আবেদন নং ১৬৬ত আবেদনকাৰীৰ বাবে। মৌলিক অধিকাৰ সৰ্বোচ্চ আৰু অনুচ্ছেদ নং১৩ (২) তৃতীয় খণ্ডই প্ৰদান কৰা অধিকাৰৰ যিকোনো সংশোধনীৰ সন্মুখত সম্পূৰ্ণ বাধা।

এন.এছ.বিন্দ্ৰা (তেওঁৰ সৈতেকাহান চান্দ চোপ্ৰা) আবেদন নং ৩১৭ত আবেদনকাৰীৰ বাবে।

এম.এল.চতুৰ্বেদী ৩৭৪,৩৭৬, ৩৭৭, ৩৭৯, ৩৮০, ৩৮১,৩৮৪, ৩৮৫, ৩৮৬, ৩৮৯, ৩৯৩, ৩৯৪ আৰু ৩৯৫ নং আবেদনত আবেদনকাৰীৰ বাবে।

৪১৮ নং আবেদনত আবেদনকাৰীৰ হৈ বিষণ সিং। আব্দুল ৰজ্জাক খান আৰু পি ৫.চফিৰ আবেদন নং এ১৭ত আবেদনকাৰীৰ বাবে।

এম.চি.চেতালভাদ, ভাৰত চৰকাৰৰ মহান্যায়বাদী(এটৰ্নী জেনেৰেলঅফইণ্ডিয়া)(জি.এন. যোশীৰ সৈতে)আৰু বিহাৰ ৰাজ্যৰ বাবে (লাল নৰেইন সিং, জি এন যোশী, এ কুপ্পুস্বামী আৰু জি দুৰ্গবাইৰ সৈতে)।

৩৬৮ নং অনুচ্ছেদৰ অধীনত ক্ষমতাৰ গ্ৰহণকাৰী হৈছে সংসদ। আৰু উক্ত অনুচ্ছেদত উল্লেখ কৰা বিধেয়কখন গৃহীত কৰাৰ প্ৰক্ৰিয়া সাধাৰণ বিধানসভা বিধেয়কৰ সৈতে একে।এই অনুচ্ছেদটোৰ অৰ্থ এইটো নহয় যে ৩৬৮ নং অনুচ্ছেদৰ অধীনত ক্ষমতাসমূহ ভিন্ন সংখ্যাগৰিষ্ঠতাৰ অহৰহ পৰিৱৰ্তিত সংস্থাই ব্যৱহাৰ কৰিব লাগে, সংসদে নহয়।

যদিহে গঠনমূলক কৰ্তৃপক্ষ আৰু বিধানসভা কৰ্তৃপক্ষ দুটা ভিন্ন সত্তা হয় তেন্তে ২,৩, ৪ আৰু ২৪০ নং অনুচ্ছেদত দিয়া সুৰক্ষাৰ দফাসমূহ অৰ্থহীন হ'ব। ৩৭৯ নং অনুচ্ছেদৰ অধীনত অস্থায়ী সংসদে সংসদৰ সকলো ক্ষমতা ব্যৱহাৰ কৰিব পাৰে; ৩৭৯ নং অনুচ্ছেদৰ "সকলো ক্ষমতা"ত সংবিধান সংশোধনৰ ক্ষমতা অন্তৰ্ভুক্ত কৰা হৈছে আৰু সংবিধান সংশোধনীক ইয়াৰ পৰিসৰৰ পৰা বাদ দি এই শব্দসমূহৰ আমদানিত বাধা দিয়াৰ কোনো কাৰণ নাই।সেই অনুচ্ছেদত "সকলো কৰ্তব্য পালন কৰক" শব্দটোৱে কোনো ধৰণে ৩৭৯ অনুচ্ছেদৰ অধীনত সংসদৰ ক্ষমতা কৰ্তন নকৰে কাৰণ অনুচ্ছেদ ১৩ (২)য়ে কোনো কৰ্তব্য জাপি নিদিয়ে

৩৭৯ নং অনুচ্ছেদৰ অধীনত থকা সকলো ক্ষমতা প্ৰয়োগ আৰু ১৩ (২) অনুচ্ছেদৰ নিষেধাজ্ঞাৰ মাজত কোনো সংঘাত নাই। ৩৯২ (১) অনুচ্ছেদত "অসুবিধা" শব্দটোক কোনো কাৰিকৰী অৰ্থ দিয়া উচিত নহয়। ৩৬৮ নং অনুচ্ছেদৰ অভিযোজন সঁচাকৈয়ে অসুবিধা দূৰ কৰাৰ অভিযোজন। অভিযোজনটো স্থায়ী চৰিত্ৰৰ নহয়। ইয়াৰ পৰা দেখা যায় যে অভিযোজন সংশোধনী নহয় আৰু সংশোধনী হ'লেও অভিযোজনৰ ৰূপত সেয়াই হয়। ১৩ (২) অনুচ্ছেদত মৌলিক অধিকাৰৰ সৈতে অসঙ্গতিপূৰ্ণ "আইন" নিষিদ্ধ কৰা হৈছে।

১৩ (২) অনুচ্ছেদত "আইন" শব্দটোৱে সংবিধান প্ৰণয়নক নহয়, সাধাৰণ বিধান প্ৰণয়নক বুজায়, সেয়েহে ই ৩৬৮ অনুচ্ছেদক প্ৰভাৱিত কৰিব নোৱাৰে। সংবিধান সংশোধনৰ বিধেয়কখন উত্থাপন কৰা ধৰণে, সংশোধনী নোহোৱাকৈ গৃহীত হ'ব লাগে বুলি কোৱা যুক্তিটো ভ্ৰান্ত। ৩৬৮ নং অনুচ্ছেদত উল্লেখ কৰা বিধেয়কখনৰ সৈতে ১০৭ আৰু ১০৮ নং অনুচ্ছেদত সাধাৰণ বিধেয়কৰ বাবে নিৰ্ধাৰণ কৰা পদ্ধতিৰ পৰা পৃথক পদ্ধতিৰে মোকাবিলা কৰিব লাগিব বুলি ক'ব নোৱাৰি । ৩১-ক আৰু ৩১খ অনুচ্ছেদ

আইনগত চৰিত্ৰৰ নহয়। উক্ত অনুচ্ছেদসমূহে ২২৬ আৰু ৩২ নং অনুচ্ছেদৰ পৰিসৰত কোনো প্ৰভাৱ পেলোৱা নাই, কাৰণ উক্ত অনুচ্ছেদ দুটাৰ অধীনত আদালতৰ ক্ষমতা অপৰিৱৰ্তিত হৈ আছে।।যি কৰা হৈছে সেয়া হৈছে মৌলিক অধিকাৰৰ বিষয়বস্তু সলনি কৰাৰ বাবে।

উত্তৰ প্ৰদেশ ৰাজ্যৰ বাবে উত্তৰ প্ৰদেশৰ এডভোকেট জেনেৰেল পি.এল. বেনাৰ্জীয়ে (ইউ.কে. মিশ্ৰা আৰু গোপালজী মেহৰোত্ৰা, তেওঁৰ সৈতে) এটৰ্নী জেনেৰেলৰ যুক্তি গ্ৰহণ কৰিছিল আৰু লগতে কয় যে ৩১ক আৰু ৩১খ অনুচ্ছেদ একেলগে থাকিব বা একেলগে যাব লাগে বুলি ক'ব নোৱাৰি; ৩১খ গ'লেও ৩১ক থাকিব।

মধ্য প্ৰদেশ ৰাজ্যৰ বাবে মধ্য প্ৰদেশৰ এডভোকেট জেনেৰেল (টি পি নায়েক, তেওঁৰ সৈতে) টি.এল. শ্বেভডে এটৰ্নি জেনেৰেলৰ যুক্তি গ্ৰহণ কৰিছিল।ভৱিষ্যতৰ সংসদে যি কৰিব পাৰে সকলো কৰিবলৈ অস্থায়ী সংসদ যোগ্য। ৩৯২ নং অনুচ্ছেদৰ অধীনত কৰা অভিযোজনে ৩৬৮ নং অনুচ্ছেদ সংশোধন কৰিব বিচৰা নাই।

পি. আৰ. ডটছ, এছ.এম. বসু এছ চৌধুৰী, এন চি চেটাৰ্জী, এছ কে. ধৰ আৰু এছ পি সিনহাই উত্তৰ দিলে।

১৯৫১ চনত ৫ অক্টোবৰত আদালতৰ ৰায়দান প্ৰদান কৰা হয়

**পতঞ্জলি শাস্ত্ৰী জে.--** একেলগে শুনা এই আৱেদনসমূহে উমৈহতীয়া প্ৰশ্ন উত্থাপন কৰে যে শেহতীয়াকৈ বৰ্তমানৰ অস্থায়ী সংসদে গৃহীত কৰা আৰু অন্যান্য বিষয়ৰ লগতে ভাৰতীয় সংবিধানত ৩১ক আৰু ৩১খ অনুচ্ছেদ সন্নিৱিষ্ট কৰাৰ উদ্দেশ্যেৰে সংবিধান (প্ৰথম সংশোধনী) আইন, ১৯৫১ খন ক্ষেত্ৰাধীকাৰৰ বাহিৰত আৰু অসাংবিধানিক নেকি।

সেই আইন প্ৰণয়নৰ কাৰণ কি সেয়া সাধাৰণ জ্ঞানৰ বিষয়। এতিয়া ক্ষমতাত থকা ৰাজনৈতিক দলটোৱে কেইবাখনো ৰাজ্যৰ বিধায়িনী দলৰ লগতে সংসদতো সংখ্যাগৰিষ্ঠতা লাভ কৰাৰ দৰেই আদেশ দি বিহাৰ, উত্তৰ প্ৰদেশ আৰু মধ্যপ্ৰদেশত কৃষি সংস্কাৰৰ কিছুমান ব্যৱস্থা গ্ৰহণ কৰিছিল, যিবোৰ আইন প্ৰণয়ন কৰিছিল, যাৰ কথা বাধ্যতামূলকভাৱে উল্লেখ কৰিব পাৰি জেমিণ্ডাৰী বিলোপ আইন হিচাপে। কিছুমান বিশেষ জেমিণ্ডাৰে ক্ষুব্ধ হৈ সেই আইনসমূহৰ বৈধতাক আদালতত আক্ৰমণ কৰিছিল এই ভিত্তিত যে এই আইনসমূহে সংবিধানৰ তৃতীয় খণ্ডই তেওঁলোকক প্ৰদান কৰা মৌলিক অধিকাৰ উলংঘা কৰিছে। পাটনাৰ উচ্চ ন্যায়ালয়ে বিহাৰত গৃহীত এই আইনখন অসাংবিধানিক বুলি ৰায় দিয়াৰ বিপৰীতে এলাহাবাদ আৰু নাগপুৰৰ উচ্চ ন্যায়ালয়ে ক্ৰমে উত্তৰ প্ৰদেশ আৰু, মধ্যপ্ৰদেশত সংশ্লিষ্ট আইনখনৰ বৈধতা সমৰ্থন কৰে।সেই সিদ্ধান্তবোৰৰ পৰা আপীল সমূহ এই আদালতত বিচাৰাধীন হৈ আছে। একেটা প্ৰশ্নৰ নিৰ্ণয় বিচাৰি আন কিছুমান জমিদাৰৰ দ্বাৰা এই আদালতত দাখিল কৰা আৱেদনসমূহো "অমীমাংসিত" হৈ আছে।এই পৰ্যায়ত কেন্দ্ৰীয় চৰকাৰে এই সকলোবোৰ মামলাৰ অন্ত পেলোৱা আৰু তেওঁলোকে পোহৰলৈ অনা কিছুমান দোষ বুলি বিবেচনা কৰা কিছুমান দোষৰ প্ৰতিকাৰৰ লক্ষ্যৰে সংবিধানৰ কাম-কাজৰ ফলত সংবিধান সংশোধনৰ বাবে এখন বিধেয়ক উত্থাপন কৰা হয়, যিখন বিভিন্ন প্ৰকাৰে বিশেষভাৱে সংশোধনীৰ অন্তত: প্ৰয়োজনীয় সংখ্যাগৰিষ্ঠতাৰে গৃহীত কৰা হয়: সংবিধান (প্ৰথম সংশোধনী) আইন, ১৯৫১, (ইয়াৰ পিছত সংশোধনী আইন বুলি কোৱা হ'ব ) । চৰকাৰৰ এই পদক্ষেপৰ প্ৰতি ক্ষিপ্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি জমিদাৰসকলে সংশোধনী আইনখনকে নিজেই অসাংবিধানিক আৰু বাতিল বুলি অভিযোগ কৰি বৰ্তমানৰ আবেদনসমূহ সংবিধানৰ ৩২ নং অনুচ্ছেদৰ অধীনত আনিছে।

আবেদনসমূহৰ সমৰ্থনত উত্থাপন কৰা মূল যুক্তিসমূহ তলত দিয়া ধৰণে সামৰি ল'ব পাৰি:

প্ৰথমতে, ৩৬৮ নং অনুচ্ছেদৰ অধীনত প্ৰদান কৰা সংবিধান সংশোধনৰ ক্ষমতা সংসদক নহয়, সংসদৰ দুটা সদনক নিৰ্দিষ্ট সংস্থা হিচাপে প্ৰদান কৰা হৈছিল আৰু সেয়েহে ৩৭৯ নং অনুচ্ছেদৰ অধীনত সেই ক্ষমতা প্ৰয়োগ কৰিবলৈ অস্থায়ী সংসদ যোগ্য নাছিল।

দ্বিতীয়তে, সংসদক ক্ষমতা প্ৰদান কৰা বুলি ধৰি লৈ, ই ৩৭৯ নং অনুচ্ছেদৰ দ্বাৰা অস্থায়ী সংসদক হস্তান্তৰ কৰা নাছিল কিয়নো "সংসদক এই সংবিধানৰ বিধানৰ দ্বাৰা প্ৰদান কৰা সকলো ক্ষমতা" শব্দবোৰে কেৱল এনে ক্ষমতাক বুজাব পাৰে যিবোৰ একক কক্ষৰে গঠিত অস্থায়ী সংসদৰ দ্বাৰা ব্যৱহাৰ কৰিবলৈ সক্ষম।৩৬৮ নং অনুচ্ছেদৰ দ্বাৰা প্ৰদান কৰা ক্ষমতাই সংসদৰ দুটা সদনৰ সহযোগিতামূলক ব্যৱস্থা গ্ৰহণৰ আহ্বান জনাইছে আৰু ইয়াক উপযুক্তভাৱে ব্যৱহাৰ কৰিব পাৰিব কেৱল সংসদেহে যিটো ৫ নং খণ্ডৰ ২ নং অধ্যায়ৰ অধীনত যথাযথভাৱে গঠন কৰা হ'ব।
তৃতীয়তে, ১৯৫০ চনৰ ২৬ জানুৱাৰীত ৰাষ্ট্ৰপতিয়ে দিয়া সংবিধান (অসুবিধা আঁতৰোৱা) আদেশ নং ২, যিমান দূৰ লৈকে ই "যিকোনো এটা সদন" আৰু "প্ৰতিটো সদনত" বাদ দি আৰু সেই সদনৰ বাবে "সংসদ" সলনি কৰি ৩৬৮ নং অনুচ্ছেদত খাপ খুৱাই লব বিচাৰে, অনুচ্ছেদ ৩৯২ৰ দ্বাৰা তেওঁক প্ৰদান কৰা ক্ষমতাৰ বাহিৰত, কিয়নো সেই অনুচ্ছেদৰ অধীনত অভিযোজনৰ দ্বাৰা আঁতৰাবলৈ বিচৰা "যিকোনো অসুবিধা" সংবিধানৰ সময়ত সংবিধানৰ প্ৰকৃত কামত অসুবিধা হ'ব লাগিব যিবোৰক আঁতৰোৱাটো চৰকাৰক আগুৱাই নিয়াৰ বাবে প্ৰয়োজনীয় ।সংবিধান আৰম্ভ হোৱাৰ তাৰিখতে সম্ভৱতঃ তেনে কোনো অসুবিধা অনুভৱ কৰিব পৰা নাছিল।

চতুৰ্থতে, যিকোনো ক্ষেত্ৰতে ৩৬৮ নং অনুচ্ছেদটো নিজৰ বাবেই এটা সম্পূৰ্ণ সংহিতা আৰু ইয়াত সদনত উত্থাপন কৰাৰ পিছত বিধেয়কখনত কোনো ধৰণৰ সংশোধনী কৰাৰ ব্যৱস্থা কৰা হোৱা নাই। বৰ্তমানৰ গোচৰৰ বিধেয়কখন সদনৰ জৰিয়তে গৃহীত হোৱাৰ সময়ত কেইবাটাও বিশেষভাৱে সংশোধন কৰা হৈছে বুলি স্বীকাৰ কৰা হৈছে, সংশোধনী আইনখন ৩৬৮ নং অনুচ্ছেদত নিৰ্ধাৰিত পদ্ধতি অনুসৰি গৃহীত হোৱা বুলি ক'ব নোৱাৰি।

পঞ্চমতে, সংবিধানৰ তৃতীয় খণ্ডৰ দ্বাৰা প্ৰদান কৰা অধিকাৰবোৰ কাঢ়ি নিবলৈ বা সংশোধন কৰিব বিচৰা সংশোধনী আইনখন অনুচ্ছেদ ১৩ (২) ৰ নিষেধাজ্ঞাৰ ভিতৰত পৰে।

আৰু শেষত, যিহেতু নতুনকৈ সন্নিৱিষ্ট কৰা ৩১ক আৰু ৩১খ অনুচ্ছেদসমূহে পঞ্চম খণ্ডৰ চতুৰ্থ অধ্যায়ৰ ১৩২ আৰু ১৩৬ নং অনুচ্ছেদ আৰু ষষ্ঠ খণ্ডৰ পঞ্চম অধ্যায়ৰ ২২৬ নং অনুচ্ছেদত পৰিৱৰ্তন আনিব বিচাৰিছে, সেয়েহে ৩৬৮ নং অনুচ্ছেদৰ বিধানৰ দফা (খ)ৰ অধীনত অনুমোদনৰ প্ৰয়োজন, আৰু সেইয়া অনুমোদন নোহোৱাৰ বাবে সেইবোৰ বাতিল আৰু অসাংবিধানিক। দ্বিতীয় তালিকাত উল্লেখ কৰা বিষয়সমূহৰ সৈতে জড়িত হোৱাৰ বাবেও ইহঁত ক্ষেত্ৰাধীকাৰৰ বাহিৰত, যাৰ ক্ষেত্ৰত সংসদৰ নহয়, ৰাজ্যিক বিধায়িনী দলৰহে আইন প্ৰণয়নৰ ক্ষমতা আছে।

এই কথাবোৰৰ সৈতে মোকাবিলা কৰাৰ আগতে ইয়াত ৩৬৮, ৩৭৯ আৰু ৩৯২ নং অনুচ্ছেদৰ বস্তুগত অংশসমূহ উল্লেখ কৰাটো সুবিধাজনক হ'ব, যাৰ প্ৰকৃত নিৰ্মাণৰ ওপৰত এই যুক্তিসমূহ বহুলাংশে যিদিশ বা ধৰণে গৈছে।

৩৬৮) এই সংবিধানৰ সংশোধনী উদ্দেশ্যে কেৱল সংসদৰ যিকোনো এটা সদনত বিধেয়ক উত্থাপন কৰিহে আৰম্ভ কৰিব পাৰি, আৰু যেতিয়া প্ৰতিটো সদনত সেই

সদনৰ মুঠ সদস্যৰ সংখ্যাগৰিষ্ঠতা আৰু উপস্থিত আৰু ভোটদান কৰা সেই সদনৰ সদস্যৰ কমেও দুই তৃতীয়াংশ সংখ্যাগৰিষ্ঠতাৰে বিধেয়কখন গৃহীত হয়, ৰাষ্ট্রপতিৰ সন্মতিৰ বাবে ইয়াক উপস্থাপন কৰা হ'ব আৰু বিধেয়কখনক এনে সন্মতি দিয়াৰ পিছত বিধেয়কখনৰ চৰ্ত অনুসৰি সংবিধানখন সংশোধন কৰা হ'ব:

যদিহে এনে সংশোধনে কোনো পৰিৱৰ্তন কৰিব বিচাৰে

(ক) ৫৪, ৫৫, ৭৮,১৬২ বা ২৪১ নং অনুচ্ছেদ, বা

(খ) পঞ্চম খণ্ডৰ চতুৰ্থ অধ্যায় , ষষ্ঠ খণ্ডৰ পঞ্চম অধ্যায়, বা একাদশ খণ্ডৰ প্ৰথম অধ্যায়, বা

(গ) সপ্তম অনুসূচীৰ যিকোনো তালিকা, বা

(ঘ) সংসদত ৰাষ্ট্ৰৰ প্ৰতিনিধিত্ব, বা

(ঙ) এই অনুচ্ছেদৰ বিধানসমূহ, সংশোধনী প্ৰথম অনুসূচীৰ ক আৰু খ অংশত উল্লেখ কৰা কমেওআধা ৰাজ্যৰ বিধানসভাই সেই বিধানসভাসমূহে গৃহীত কৰা সম্পৰ্কে প্ৰস্তাৱৰ দ্বাৰা অনুমোদন জনোৱাৰ প্ৰয়োজন হ'ব, তেনে সংশোধনীৰ ব্যৱস্থা কৰা বিধেয়কখন দাখিল কৰাৰ আগতে সন্মতিৰ বাবে ৰাষ্ট্ৰপতিৰ আগত দাখিল কৰা হয়

৩৭৯.(১) যেতিয়ালৈকে সংসদৰ দুয়োটা সদন যথাযথভাৱে গঠন কৰি এই সংবিধানৰ বিধান অনুসৰি প্ৰথম অধিৱেশনৰ বাবে বৈঠকত আহ্বান কৰা নহয়, তেতিয়ালৈকে 'এই সংবিধান আৰম্ভ হোৱাৰ আগতে' ভাৰতৰ সংবিধান সভা হিচাপে কাম কৰা সংস্থাটোৱেই হ'ব অস্থায়ী সংসদ আৰু এই সংবিধানৰ বিধানসমূহে সংসদক প্ৰদান কৰা সকলো ক্ষমতা প্ৰয়োগ আৰু সকলো কৰ্তব্য পালন কৰিব।

৩৯২.(১) ৰাষ্ট্রপতিয়ে যিকোনো অসুবিধা দূৰ কৰাৰ উদ্দেশ্যে, বিশেষকৈ ভাৰত চৰকাৰ আইন, ১৯৩৫ৰ বিধানৰ পৰা এই সংবিধানৰ বিধানলৈ পৰিৱৰ্তনৰ সম্পৰ্কত, নিৰ্দেশ দিব পাৰে যে এই সংবিধানে, এনে সময়ত আদেশত উল্লেখ কৰা সময়সীমা, তেওঁ প্ৰয়োজনীয় বা সুবিধাজনক বুলি বিবেচনা কৰা পৰিৱৰ্তন, সংযোজন বা বাদ দিয়াৰ দ্বাৰা হওক, এনে অভিযোজনৰ অধীনত প্ৰভাৱিত হ'ব: কিন্তু পঞ্চম খণ্ডৰ দ্বিতীয় অধ্যায়ৰ অধীনত যথাযথভাৱে গঠন কৰা সংসদৰ প্ৰথম বৈঠকৰ পিছত এনে কোনো নিৰ্দেশ দিয়া নহ'ব।

** ** ** **

'প্ৰথম কথাত, এইটো দাখিল কৰা হৈছিল যে যেতিয়াই সংবিধানে সংসদক ক্ষমতা প্ৰদান কৰিব বিচাৰিছিল, ই বিশেষভাৱে "সংসদ"ক ক্ষমতাৰ গম্বুজবুলি উল্লেখ কৰিছিল, অনুচ্ছেদ ২, ৩, ৩৩, ৩৪আৰু আন বহুতো অনুচ্ছেদদকৰাৰ দৰে, কিন্তু ই ইচ্ছাকৃতভাৱে অনুচ্ছেদ ৩৬৮-ত সেই অভিব্যক্তিৰ ব্যৱহাৰ এৰাই চলিছিল। দেশৰ মৌলিক আইন হিচাপে সংবিধানে দলীয় সংখ্যাগৰিষ্ঠতাৰ ইচ্ছা অনুসৰি সঘনাই পৰিৱৰ্তনৰ বাবে দায়বদ্ধ হ'ব নালাগে বুলি অনুভৱ কৰি, প্ৰস্তুতকৰ্তাসকলে সংবিধান সংশোধনৰ পথত বিশেষ অসুবিধাৰ সৃষ্টি কৰিছিল আৰু সাধাৰণ আইনসভাৰ বাহিৰে আন এটা সংস্থাক সংশোধনৰ ক্ষমতা প্ৰদান কৰাটো সেই আঁচনিৰ এটা অংশ আছিল, আমেৰিকান ফেডাৰেল সংবিধানৰ ৫ নং অনুচ্ছেদৰ দ্বাৰা কৰা অনুসৰি।

আমি সেই দৃষ্টিভংগী ল'বলৈ অক্ষম। লিখিত সংবিধানত সাংবিধানিক সংশোধনৰ বিভিন্ন পদ্ধতি গ্ৰহণ কৰা হৈছে, যেনে গণভোটৰ দ্বাৰা, বিশেষ সন্মিলনৰ দ্বাৰা, বিশেষ পদ্ধতিৰ অধীনত আইন প্ৰণয়ন কৰা ইত্যাদি। কিন্তু, ভাৰতীয় সংবিধানৰ প্ৰণেতাসকলে এই পদ্ধতিসমূহৰ ভিতৰত কোনটো পদ্ধতি গ্ৰহণ কৰিছে, ভাৰতীয় সংবিধান

প্ৰণয়কসকলে গ্ৰহণ কৰা পদ্ধতিসমূহ বুজিবলৈ সংবিধানৰ বিধানসমূহ পোনপটীয়াকৈ চাব লাগিব, পূৰ্বধাৰণাৰ ভিত্তিত বা আন সংবিধানৰ সৈতে তুলনা কৰি ইয়াৰ ব্যাখ্যা কৰা উচিত নহয়। ভাৰতীয় সংবিধানে যি কয় তাৰ ওপৰত পক্ষপাতিত্ব নোহোৱাকৈ নিৰ্ভৰ কৰা উচিত।সেই অনুসৰি আমি সাংবিধানিক সংশোধনীৰ সৈতে জড়িত বিধানসমূহৰ ফালে আগবাঢ়ো।

এতিয়া সংবিধানে ইয়াৰ বিধানসমূহৰ তিনিটা শ্ৰেণীৰ সংশোধনীৰ ব্যৱস্থা কৰিছে। প্ৰথমতে, যিবোৰ সৰল সংখ্যাগৰিষ্ঠতাৰ দ্বাৰা প্ৰভাৱিত হ'ব পাৰে যেনে যিকোনো সাধাৰণ আইন গৃহীত কৰাৰ বাবে প্ৰয়োজনীয়। ৪, ১৬৯ আৰু ২৪০ নং অনুচ্ছেদত বিবেচনা কৰা সংশোধনীসমূহ এই শ্ৰেণীৰ ভিতৰত পৰে, আৰু ইয়াক বিশেষভাৱে ৩৬৮ নং অনুচ্ছেদৰ পৰিসৰৰ পৰা বাদ দিয়া হৈছে। দ্বিতীয়তে, যিবোৰ সংশোধনী ৩৬৮ নং অনুচ্ছেদত উল্লেখ কৰা অনুসৰি বিশেষ সংখ্যাগৰিষ্ঠতাৰে প্ৰভাৱিত কৰিব পৰা যায়।ওপৰত উল্লেখ কৰা সংশোধনীসমূহৰ বাহিৰে আন সকলো সাংবিধানিক সংশোধনী এই শ্ৰেণীৰ ভিতৰত আহে আৰু প্ৰতিটো সদনৰ মুঠ সদস্যপদৰ সংখ্যাগৰিষ্ঠতাৰ দ্বাৰা আৰু লগতে উপস্থিত সেই সদনৰ কমেওদুই তৃতীয়াংশ সদস্যৰ ভোটদানৰ দ্বাৰা প্ৰভাৱিত হ'ব লাগিব; আৰু তৃতীয়তে, যিবোৰত ওপৰত উল্লেখ কৰা বিশেষ সংখ্যাগৰিষ্ঠতাৰ উপৰিও 'প্ৰথম অনুসূচী'ৰ ক আৰু খ অংশত উল্লেখ কৰা কমেও আধা ৰাজ্যই গৃহীত প্ৰস্তাৱৰ দ্বাৰা অনুমোদনৰ প্ৰয়োজন হয়। এই শ্ৰেণীত এনে সংশোধনীসমূহ অন্তৰ্ভুক্ত কৰা হৈছে যিয়ে অনুচ্ছেদ ৩৬৮ৰ বিধানত উল্লেখ কৰা বিধানসমূহৰ যিকোনো পৰিৱৰ্তন কৰিব বিচাৰে। দেখা যাব যে প্ৰথম শ্ৰেণীৰ সংশোধনীসমূহ প্ৰভাৱিত কৰাৰ ক্ষমতা স্পষ্টভাৱে "সংসদ"ক প্ৰদান কৰা হৈছে, অৰ্থাৎ, সংসদৰ দুটা সদন আৰু ৰাষ্ট্ৰপতি (অনুচ্ছেদ নং ৭৯)।ইয়াৰ ফলতধৰি লোৱা হ'ব

যে, ইয়াৰ বিপৰীত স্পষ্ট ইংগিতৰ অভাৱত, আন দুটা শ্ৰেণীৰ সংশোধনী প্ৰভাৱিত কৰাৰ ক্ষমতাও একেটা সংস্থাক প্ৰদান কৰা হৈছে, অৰ্থাৎ সংসদ, কিয়নো, এক পৃথক সংখ্যাগৰিষ্ঠতাৰ প্ৰয়োজনীয়তা, যি কেৱল প্ৰক্ৰিয়াগত, এইটো নিজেই এটা বেলেগ সংস্থাক ক্ষমতা অৰ্পণ কৰাৰ কোনো কাৰণ হ'ব নোৱাৰে। ৩৬৮ নং অনুচ্ছেদত ব্যৱহৃত ভাষাৰ পৰীক্ষা কৰিলে সেই মতামত নিশ্চিত হয়।

প্ৰথমতে, এইটো নিৰ্ধাৰণ কৰা হৈছে যে সংশোধনীৰ আৰম্ভণি হ'ব লাগিব "এখন বিধেয়ক সংসদৰ যিকোনো এটা সদনত" উত্থাপন কৰি, যিটো সংসদীয় পদ্ধতিৰ এটা চিনাকি বৈশিষ্ট্য (অনুচ্ছেদ নং১০৭(১) য'ত কোৱা হৈছে "এখন বিধেয়কৰ উৎপত্তি হ'ব পাৰে সংসদৰ যিকোনো এটা সদনত")।তাৰ পিছত, বিধেয়কখন "প্ৰতিটো সদনত গৃহীত" হ'ব লাগিব, ঠিক যেনেকৈ সংসদে নিজৰ স্বাভাৱিক বিধানসভাৰ কাৰ্য্য সম্পাদন কৰিবলৈ আহ্বান জনোৱাৰ সময়ত যি কৰে[অনুচ্ছেদ নং ১০৭(২)]; আৰু শেষত, এইদৰে গৃহীত হোৱা বিধেয়কখন "ৰাষ্ট্ৰপতিৰ ওচৰত উপস্থাপন" কৰিব লাগিব, তেওঁৰ "সন্মতি"ৰ বাবে, ইপুনৰ এটা সংসদীয় প্ৰক্ৰিয়া যাৰ জৰিয়তে প্ৰতিখন বিধেয়কে বিধি-পুথিত উপনীত হোৱাৰ আগতে গৃহীত হ'ব লাগিব (অনুচ্ছেদ নং ১১১)। এইদৰে আমি দেখিবলৈ পাওঁ যে সংসদৰ প্ৰতিটো একক উপাদানে সংবিধানত সংশোধনী অনাৰ ক্ষেত্ৰত নিজৰ আবণ্টিত ভূমিকা পালন কৰিব লাগিব।

আমি ইতিমধ্যে দেখিছো যে সংসদে একে তিনি-গুণ পদ্ধতিৰে কিন্তু সৰল সংখ্যাগৰিষ্ঠতাৰে গৈ ওপৰত উল্লেখ কৰা প্ৰথম শ্ৰেণীৰ সংশোধনীত প্ৰভাৱ পেলায়। দ্বিতীয় আৰু তৃতীয় শ্ৰেণীৰ সংশোধনী কাৰ্যকৰী কৰিবলৈ একেটা সংস্থাতে বেলেগ সংখ্যাগৰিষ্ঠতাৰ প্ৰয়োজন হোৱাটোৱে সংশোধনী সংস্থাটোক বেলেগ সংস্থা হিচাপে গঢ়ি তুলিব নোৱাৰে।সেয়েহে, এই পৰামৰ্শটোত কোনো শক্তি নাই যে সংসদক বিশেষভাৱে

উল্লেখ কৰা হ'লহেঁতেন যদি সেই সংস্থাটোৱে ক্ষমতা প্ৰয়োগ কৰাৰ উদ্দেশ্য আছিল। সংসদৰ প্ৰতিটো সদন আৰু ৰাষ্ট্ৰপতিৰ কথা পৃথকে পৃথকে উল্লেখ কৰি সাংবিধানিক পৰিৱৰ্তন অনাৰ ক্ষেত্ৰত প্ৰত্যেককে নিজৰ উপযুক্ত কৰ্তব্য নিৰ্ধাৰণ কৰি সংবিধান নিৰ্মাতাসকলে সম্ভৱতঃ তিনিটা গোটৰ সামূহিক পদবীৰ উল্লেখ কৰাটো প্ৰয়োজনীয় বুলি নাভাবিলে।

ওপৰত উল্লেখ কৰা ৩৬৮ নং অনুচ্ছেদৰ অন্তৰ্নিহিত ইংগিতৰ বাহিৰেও ২, ৩, ৪, ১৬৯ আৰু ২৪০ নং অনুচ্ছেদত এটা পতিয়ন যোগ্য যুক্তি পোৱা যায়। ইতিমধ্যে উল্লেখ কৰা অনুসৰি এই অনুচ্ছেদসমূহৰ অধীনত "সংসদ"ক আইন প্ৰণয়নৰ ক্ষমতা দিয়া হৈছেসৰল সংখ্যাগৰিষ্ঠতাৰে; কিন্তু প্ৰতিটো ক্ষেত্ৰতে এইটো নিৰ্ধাৰণ কৰা হৈছে যে এনে কোনো আইনক "৩৬৮ নং অনুচ্ছেদৰ উদ্দেশ্যে" সংবিধানৰ সংশোধনী বুলি গণ্য কৰা উচিত নহয়।বিশেষ সংখ্যাগৰিষ্ঠতাৰ প্ৰয়োজন হোৱা ৩৬৮ নং অনুচ্ছেদৰ কাৰ্য্যকলাপৰ পৰা এই আইনসমূহ বাদ দিয়াটো একেবাৰে অপ্ৰয়োজনীয় হ’ব, আৰু সঁচাকৈয়ে অনুচিত হ’ব, যদিহে পিছৰ অনুচ্ছেদৰ অধীনত সংশোধনৰ ক্ষমতা সংসদকো দিয়া নহয়।

ওপৰত আলোচনা কৰা কথাটোৰ সৈতে কিছু ঘনিষ্ঠভাৱে জড়িত হৈছে বৰ্তমানৰ গোচৰত বিধেয়কখন সংশোধিত ৰূপত গৃহীত হোৱাৰ ওপৰত ভিত্তি কৰি আপত্তি কৰা, আপত্তি হ'ল যে বৰ্তমানৰ বিধেয়কখন সলনি কৰা হৈছিল আৰু ইয়াৰ মূল ৰূপত গৃহীত হোৱা নাছিল।৩৬৮ নং অনুচ্ছেদটোৱে প্ৰদান কৰা পদ্ধতিৰ ক্ষেত্ৰত "সম্পূৰ্ণ সংহিতা" বুলি কোৱাটো শুদ্ধ নহয়। বিধেয়ক এখন কেনেকৈ আৰু কি জাননীৰ পিছত উত্থাপন কৰিব, প্ৰতিটো সদনে কেনেকৈ গৃহীত কৰিব আৰু ৰাষ্ট্ৰপতিৰ সন্মতি কেনেকৈ লাভ কৰিব সেই সম্পৰ্কে পদ্ধতিৰ ব্যৱধান আছে।

স্পষ্টভাৱে, প্ৰত্যেক সদনে ইয়াৰ পদ্ধতি আৰু ইয়াৰ কাম পৰিচালনা নিয়ন্ত্ৰণ কৰাৰ বাবে ১১৮ নং অনুচ্ছেদৰ  অধীনত প্ৰস্তুত কৰা নিয়মবোৰ, যিমানদূৰ হ’ব পাৰে, প্ৰযোজ্য হ'ব পাৰে।সংবিধান সংশোধনৰ প্ৰক্ৰিয়াটো আইনী প্ৰক্ৰিয়া আছিল নে নাই সেই বিষয়ে বাৰত কিছু আলোচনা হৈছিল। আবেদনকাৰীসকলৰ অধিবক্তাই জোৰ দি কয় যে সেয়া নহয়, আৰু সেয়েহে, ১০৭ নং অনুচ্ছেদত নিৰ্ধাৰিত “বিধায়িনী পদ্ধতি”, যিয়ে বিশেষভাৱে সংশোধনীৰ সৈতে বিধেয়ক গৃহীত কৰাৰ ব্যৱস্থা কৰিছে, ৩৬৮ নং অনুচ্ছেদৰ অধীনত সংবিধান সংশোধনৰ বাবে এখন বিধেয়কৰ ক্ষেত্ৰত ই প্ৰযোজ্য নহয়।যুক্তিটোক আৰু অধিক সমৰ্থন কৰি আঙুলিয়াই দিয়া হৈছিল যে যদিহে এনে বিধেয়কৰ সংশোধন অনুমোদিত হয়, তেন্তে সংশোধনীৰ প্ৰস্তাৱ উত্থাপন আৰু গৃহীত কৰিবলৈ যিকোনো এটা সদনৰ বাবে মুকলি হ’ব লাগিব, আৰু যদিহে দুয়োটা সদনে একমত হ’ব নোৱাৰে তেন্তে ই ৩৬৮ নং অনুচ্ছেদত উল্লেখ কৰা সংশোধনী প্ৰক্ৰিয়াত ব্যাঘাত জন্মাব, কাৰণ সাধাৰণ বিধেয়কৰ ক্ষেত্ৰত ১০৮ নং অনুচ্ছেদত উল্লেখ কৰা সৰল সংখ্যাগৰিষ্ঠতাৰে বিধেয়কখন গৃহীত কৰা দুয়োটা সদনৰ যৌথ বৈঠক, ৩৬৮ নং অনুচ্ছেদত প্ৰয়োজনীয় বিশেষ সংখ্যাগৰিষ্ঠতাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰযোজ্য নহ’ব।যুক্তিটো এটা ভুল ধাৰণাৰে আগবাঢ়িছে। সংবিধান সংশোধন, আইন নহয় বুলি ধৰি ল’লেও আনকি য’ত সাধাৰণ আইনসভাৰ সেই উদ্দেশ্যে উত্থাপন কৰা বিধেয়ক গৃহীত কৰি ইয়াক সম্পন্ন কৰে আৰু সংসদে ৩৬৮ নং অনুচ্ছেদৰ অধীনত বিধেয়কৰ সৈতে মোকাবিলা কৰাৰ সময়ত ১০৭ৰ পৰা ১১১ নং অনুচ্ছেদ চৰ্তভাৱে প্ৰযোজ্য হ’ব নোৱাৰে বুলি ধৰি ল’লে, এনে সময়ত সংসদে নিজৰ স্বাভাৱিক পদ্ধতি গ্ৰহণ নকৰাৰ কোনো স্পষ্ট কাৰণ নাই, যিমানদূৰলৈকে সেই পদ্ধতি বিধিগত প্ৰয়োজনীয়তাৰ সৈতে সামঞ্জস্যপূৰ্ণভাৱে অনুসৰণ কৰিব পৰা যায়।বিধিগত তদন্ত চলোৱা স্থানীয় চৰকাৰী

ব'ৰ্ডে ন্যায়ালয়ৰ পদ্ধতিৰে পৰিচালিত হ'ব লাগিছিল বুলি কৰা বিতৰ্কক প্ৰতিহত কৰি লৰ্ড হালডেনে স্থানীয় চৰকাৰী ব'ৰ্ড বনাম আৰ্লিজ(১) গোচৰত মন্তব্য কৰিছিল: "ইয়াৰ (বোৰ্ডৰ) চৰিত্ৰটো কাৰ্যবাহী কাৰ্যকলাপ থকা সংগঠনএটাৰ। ইয়াত ই ৰাজ্যৰ অন্যান্য মহান বিভাগৰ সৈতে মিল খায়।গতিকে যেতিয়া সংসদে ইয়াক ন্যায়িক কৰ্তব্যৰ দায়িত্ব অৰ্পণ কৰে, তেতিয়া ইয়াৰ বিপৰীত কোনো ঘোষণাৰ অনুপস্থিতিত, সংসদে সেই পদ্ধতি অনুসৰণ কৰাৰ উদ্দেশ্যেৰে ল'ব লাগিব যিটো নিজৰ, যদিহে ই নিজৰ কাম দক্ষতাৰেকৰিবলৈ সক্ষম হ'ব বিচাৰে।"

এই পৰ্যৱেক্ষণসমূহৰ ইয়াত প্ৰয়োগ আছে।সংসদ এখন গঠনৰ ব্যৱস্থা কৰাৰ পিছত আৰু ইয়াৰ সাধাৰণ আইনী কামৰ পৰিচালনাৰ বাবে প্ৰতিটো সদনে (অনুচ্ছেদ নং ১১৮) প্ৰস্তুত কৰা নিয়মৰ দ্বাৰা পৰিপূৰক হ'বলৈ এক নিৰ্দিষ্ট প্ৰক্ৰিয়া নিৰ্ধাৰণ কৰাৰ পিছত, সংবিধান প্ৰণয়নকাৰীসকলে সংসদক সেই প্ৰক্ৰিয়াটো অনুসৰণ কৰিবলৈ অভিপ্ৰায় কৰিব লাগিব (১) [১৯১৫] এ.চি. ১২০, যিমান দূৰ লৈকে ই প্ৰযোজ্য হ'ব পাৰে, অনুচ্ছেদ ৩৬৮ ৰ স্পষ্ট বিধানৰ সৈতে সামঞ্জস্যপূৰ্ণভাৱে, যেতিয়া তেওঁলোকে ইয়াক সংবিধান সংশোধনৰ ক্ষমতা অৰ্পণ কৰিছিল।

দুটা সদনেগৰ্ঠিত সংসদক অৰ্পণ কৰা ক্ষমতাক ৩৭৯ নং অনুচ্ছেদৰ অধীনত একক সদন হিচাপে বহি থকা অস্থায়ী সংসদে ব্যৱহাৰ কৰিব নোৱাৰিব বুলি কোৱা যুক্তিটোৱে সংসদৰ সন্দৰ্ভত সাংবিধানিক বিধানসমূহৰ আঁচনিখনক উপেক্ষা কৰে।
এই ব্যৱস্থাসমূহে সংবিধানৰ অধীনত কাম কৰি থকা দুখন সদনৰ সংসদৰ পৰিকল্পনা কৰিছে যিহেতু সেইবোৰ সেই ভিত্তিত আছিল। কিন্তু প্ৰস্তুতকৰ্তাসকলে ভালদৰে জানিছিল যে সংবিধানৰ অধীনত প্ৰথম নিৰ্বাচন অনুষ্ঠিত নোহোৱালৈকে এনে সংসদ গঠন কৰিব পৰা নাযাব। এইদৰে সংবিধানৰ অধীনত সংসদৰ ওপৰত ন্যস্ত কৰা কামখিনি ইয়াৰ

মাজতে আগবঢ়াই নিয়াৰ ব্যৱস্থা কৰাটো প্ৰয়োজনীয় হৈ পৰিল। সেই অনুসৰি ৩৭৯ নং অনুচ্ছেদত উল্লেখ কৰা হৈছিল যে সংবিধানসভাই পৰিৱৰ্তনকালীন’ সময়ছোৱাত অস্থায়ী সংসদ হিচাপে কাম কৰিব লাগে আৰু সকলো ক্ষমতা প্ৰয়োগ কৰিব লাগে আৰু সংবিধানে সংসদক প্ৰদান কৰা সকলো কৰ্তব্য পালন কৰিব লাগে। ৩৭৯ নং অনুচ্ছেদটোক কেৱল ৩৬৮ নং অনুচ্ছেদৰ সৈতে ইয়াৰ সম্পৰ্ক বিবেচনা নকৰি সমগ্ৰ আঁচনিখনৰ বহল প্ৰেক্ষাপটত বুজিব আৰু ব্যাখ্যা কৰিব লাগে। আবেদনকাৰীসকলে যুক্তি আগবঢ়ায় যে যদি "দুটা সদন"ৰ কথা উল্লেখ কৰা ৩৬৮ নং অনুচ্ছেদটো অস্থায়ী সংসদৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়, তেন্তে এই যুক্তি সংসদীয় কাৰ্য্যৰ সৈতে জড়িত সংবিধানৰ আন সকলো অংশৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'বআৰু যদি এই যুক্তি মানি লোৱা হয়, তেন্তে ই মূলতঃ ৩৭৯ নং অনুচ্ছেদক অৰ্থহীন আৰু অকাৰ্যকৰী কৰি তুলিব।এই ধৰণৰ যুক্তি ৰোধ কৰিবলৈ আৰু পৰিৱৰ্তনশীল পৰ্যায়ত সংবিধানখন কাৰ্যক্ষম কৰি তুলিবলৈ সংবিধান প্ৰস্তুতকৰ্তাসকলে অনুচ্ছেদ নং ৩৯২ যোগ কৰিছিল। অনুচ্ছেদ ৩৯২-এ ৰাষ্ট্ৰপতিক এই পৰিৱৰ্তনশীল পৰ্যায়ত সংবিধানৰ চৰ্তাৱলী কাৰ্যকৰী কৰাৰ বাবে প্ৰয়োজন অনুসৰি সংশোধন কৰাৰ কৰ্তৃত্ব প্ৰদান কৰে। ইয়াৰ দ্বাৰা আমি ৩৯২ নং অনুচ্ছেদৰ নিৰ্মাণৰ দিশলৈ লৈ যাওঁ।

এইটো দেখা যাব যে সেই অনুচ্ছেদটোৰ অধীনত যি উদ্দেশ্যৰ বাবে অভিযোজন কৰা হ'ব পাৰে সেয়া ব্যাপকভাৱে প্ৰকাশ কৰা হৈছে। ইয়াক "যিকোনো অসুবিধা" আঁতৰ কৰাৰ উদ্দেশ্যে কৰা হ'ব পাৰে। ইয়াৰ পিছত হোৱা এক শ্ৰেণীৰ অসুবিধাৰ বিশেষত্ব দৃষ্টান্তমূলক আৰু ইয়াৰ প্ৰভাৱত পূৰ্বৰ সাধাৰণ শব্দবোৰৰ পৰিসৰ নিৰ্ধাৰণ কৰিব নোৱাৰে।। অৱশ্যে, ৩৯২ নং অনুচ্ছেদৰ অধীনত ক্ষমতা প্ৰয়োগৰ পূৰ্বৰ চৰ্তটো হ’ল  আঁতৰাব লগা অসুবিধাৰ অস্তিত্ব, অৰ্থাৎ সংবিধানৰ কাম-কাজত

প্ৰকৃততে অনুভৱ কৰা অসুবিধা, যিবোৰক আঁতৰোৱাটো চৰকাৰক আগবঢ়াই নিয়াৰ বাবে প্ৰয়োজনীয় হ'ব, যেনে, উদাহৰণ স্বৰূপে পৰিৱৰ্তনশীল সময়ত অনুচ্ছেদ নং ১১২, ১১৩ প্ৰয়োগ কৰাৰ সৈতে সম্পৰ্কিত অসুবিধাসমূহ, ইত্যাদি।কিন্তু, তৰ্ক আগবাঢ়ে, সেই সময়ছোৱাত সাংবিধানিক সংশোধনৰ প্ৰয়োজন বুলি ক'ব নোৱাৰি। ইয়াৰ উপৰিও, সংবিধান সংশোধন কৰাটো এটা অতি গুৰুত্বপূৰ্ণ বিষয়, আৰু সেয়েহে, দুয়োখন সদনে প্ৰস্তাৱিত সংশোধনীটোৰ ওপৰত বিবেচনা আৰু সন্মতি দিব লাগিব আৰু বিশেষ সংখ্যাগৰিষ্ঠতাৰে বিধেয়কখন গৃহীত কৰিব লাগিব বুলি বিধান দি সংবিধানে উদ্দেশ্যপ্ৰণোদিতভাৱে নিজৰ বিধান সংশোধনৰ পথত অসুবিধাৰ সৃষ্টি কৰিছে। এইটো ধাৰণা কৰাটো চমৎকাৰ হ'ব যে, ইচ্ছাকৃতভাৱে সেই অসুবিধাবোৰ সৃষ্টি কৰাৰ পিছত, ই ৰাষ্ট্ৰপতিক তেওঁৰ মাত্ৰ একলম লেখাৰ দ্বাৰা সেইবোৰ আঁতৰাবলৈ ক্ষমতা প্ৰদান কৰিছে।এইশাৰী যুক্তিত আমি কোনো জোৰ দেখা নাপাওঁ। এইটো কোৱাটো যথেষ্ট সঁচা যে অভিযোজনৰ দ্বাৰা আঁতৰ কৰাৰ আগতে অসুবিধাবোৰ থাকিব লাগিব, কিন্তু সেইবোৰ আঁতৰোৱাৰ এটা উপলক্ষ্য প্ৰকৃততে উদ্ভৱ হোৱাৰ আগতে সেইবোৰ থাকিব পাৰে।পূৰ্বে উল্লেখ কৰা অনুসৰি, দুটা কক্ষৰ সংসদৰ বাবে নিৰ্ধাৰিত নিয়মসমূহ একক সদন হিচাপে কাম কৰা অস্থায়ী সংসদ এখনত প্ৰয়োগ কৰিলে সমস্যাৰ সৃষ্টি হোৱাৰ সম্ভাৱনা থাকে।অস্থায়ী সংসদত প্ৰয়োগ কৰা সেই ব্যৱস্থাবোৰৰ ভাষাৰ অনুপযুক্ততাৰ বাবে উদ্ভৱ হোৱা সেই অসুবিধাবোৰ, অনুচ্ছেদ নং ৩৭৯ৰ দ্বাৰা সৃষ্টি হোৱা পৰিস্থিতিৰ সৈতে খাপ খাবলৈ সেই ভাষাটো সংশোধন কৰি আঁতৰাব লাগিব। সেই অনুচ্ছেদটোত এনেকুৱা একো নাই যে ৰাষ্ট্ৰপতিয়ে এটা বিশেষ অনুচ্ছেদক খাপ খুৱাই লোৱাৰ আগতে, সেই অনুচ্ছেদটোৱে প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰাৰ বাবে অস্থায়ী সংসদে প্ৰকৃততে কোনো এটা উপলক্ষ্য উদ্ভৱ নোহোৱালৈকে অপেক্ষা কৰিব লাগে।নতুবা

ইয়াত ৰাষ্ট্ৰপতিয়ে নিজৰ অভিযোজনৰ দ্বাৰা সংবিধানে ইচ্ছাকৃতভাৱে সংশোধনীৰ বাটত যিবোৰ অসুবিধাৰ সৃষ্টি কৰিছে, সেইবোৰ অসুবিধা আঁতৰোৱাৰ কোনো প্ৰশ্নও নাই। অভিযোজনে বিশেষ সংখ্যাগৰিষ্ঠতাৰ প্ৰয়োজনীয়তা অক্ষুণ্ণ  কৰি ৰাখে। দুয়োখন সদনে সংশোধনী বিধেয়ক গৃহীত কৰাৰ প্ৰয়োজন হোৱাটো এক অনন্য চৰ্ত নহয়, ই সংসদত যিকোনো নিয়মীয়া আইন গৃহীত কৰাৰ দৰে একে। সেয়েহে, আমি মত প্ৰকাশ কৰিছো যে ৰাষ্ট্ৰপতিৰ দ্বাৰা ৩৬৮ নং অনুচ্ছেদৰ অভিযোজন ৩৯২ নং অনুচ্ছেদে ৰ দ্বাৰা তেওঁক প্ৰদান কৰা ক্ষমতাৰ ভিতৰত আছিল আৰু ই বৈধ আৰু সাংবিধানিক।

এই যুক্তিৰ সমৰ্থনত এক অধিক যুক্তি আগবঢ়োৱা হৈছিল যে সংশোধনী আইনে, যিমান দূৰ লৈকে যিকোনো মৌলিক অধিকাৰ কাঢ়ি ল'ব বা সংক্ষিপ্ত কৰিব বিচাৰে, অনুচ্ছেদ নং ১৩(২)ৰনিষিদ্ধ কৰণৰ ভিতৰত পৰে যিয়ে প্ৰদান কৰে যে "ৰাজ্যই এনে কোনো আইন প্ৰস্তুত কৰিব নোৱাৰিব যিয়ে এই অংশৰ দ্বাৰা প্ৰদান কৰা অধিকাৰ কাঢ়ি নিব বা সংক্ষিপ্ত কৰিব আৰু এই ধাৰা উলংঘন কৰা যিকোনো আইন এই ধাৰাৰ অধীনত অকাৰ্যকৰী হ’ব।"এই যুক্তিত এনেদৰে কোৱা হৈছিল: "ৰাজ্য"ত সংসদ (অনুচ্ছেদ১২) অন্তৰ্ভুক্ত আছে আৰু "আইন"ত এটা সাংবিধানিক সংশোধনী অন্তৰ্ভুক্ত থাকিব লাগিব। এইটো সংবিধান প্ৰস্তুতকৰ্তাসকলৰ ইচ্ছাকৃত উদ্দেশ্য আছিল, যিয়ে তৃতীয় খণ্ডৰ দ্বাৰা প্ৰদান কৰা মৌলিক অধিকাৰৰ গুৰুত্ব উপলব্ধি কৰিছিল, সেই অধিকাৰসমূহ কেৱল দেশৰ আইনসভাৰ দ্বাৰা গৃহীত সাধাৰণ আইনৰ দ্বাৰা নহয়, সাংবিধানিক সংশোধনীৰ পৰাও মুক্ত কৰা। লিখিত সংবিধানত এনে ঘোষণা পোৱাটো অস্বাভাৱিক নহয় যে জনসাধাৰণক প্ৰদান কৰা কিছুমান মৌলিক অধিকাৰ "চিৰন্তন আৰু অলংঘনীয়" হ'ব লাগে যেনে উদাহৰণস্বৰূপে জাপানী সংবিধানৰ ১১ নং অনুচ্ছেদ।আমেৰিকান ফেডাৰেল সংবিধানৰ ৫ নং অনুচ্ছেদত উল্লেখ

কৰা হৈছে যে কোনো ৰাজ্যক ইয়াৰ সন্মতি অবিহনে "চিনেটত সমান ভোটাধিকাৰৰ" পৰা বঞ্চিত কৰা কোনো সংশোধনী কৰিব নোৱাৰিব। ভাৰতীয় সংবিধান প্ৰস্তুতকৰ্তাসকল আমেৰিকান আৰু জাপানী সংবিধানৰ আৰ্হিৰ দ্বাৰা প্ৰভাৱিত হৈছিল। তেওঁলোকে ১৩(২) অনুচ্ছেদত বহল ভাষাৰ জৰিয়তে এনে যিকোনো পৰিৱৰ্তন প্ৰতিহত কৰাটো নিশ্চিত কৰিছিলযিয়ে মৌলিক অধিকাৰক ক্ষতিগ্ৰস্ত কৰিব। যুক্তিটো আকৰ্ষণীয় যদিও আন কিছুমান গুৰুত্বপূৰ্ণ বিবেচনাও আছে যিয়ে ইয়াৰ বিপৰীত সিদ্ধান্তলৈ আঙুলিয়াই দিয়ে।

যদিও "আইন"ত সাধাৰণতে সাংবিধানিক আইন অন্তৰ্ভুক্ত থাকিব লাগিব, সাধাৰণ আইন, যি আইনী ক্ষমতা প্ৰয়োগৰ বাবে প্ৰস্তুত কৰা হয়, আৰু সাংবিধানিক আইন যিটো গঠনমূলক ক্ষমতা প্ৰয়োগ কৰি প্ৰস্তুত কৰা হয়, উভয়ৰ মাজত এক স্পষ্ট সীমানিৰ্ধাৰণ আছে। ডাইচে সাংবিধানিক আইনক সংজ্ঞায়িত কৰিছে যে ইয়াত "ৰাষ্ট্ৰত সাৰ্বভৌম ক্ষমতাৰ বিতৰণ বা ব্যৱহাৰক প্ৰত্যক্ষ বা পৰোক্ষভাৱে প্ৰভাৱিত কৰা সকলো নিয়ম" অন্তৰ্ভুক্ত কৰা হৈছে।

এইদৰে ইয়াৰ মূল বিষয় হৈছে ৰাষ্ট্ৰৰ তিনিটা মহান অংগ কাৰ্যবাহী, বিধায়িনী আৰু ন্যায়পালিকাৰ সৃষ্টি, ইয়াৰ মাজত চৰকাৰী ক্ষমতাৰ বিতৰণ আৰু ইহঁতৰ পাৰস্পৰিক সম্পৰ্কৰ সংজ্ঞা। কোনো সন্দেহ নাই যে আমেৰিকান আৰ্হি অনুসৰণ কৰি আমাৰ সংবিধান নিৰ্মাতাসকলে তৃতীয় খণ্ডত কিছুমান মৌলিক অধিকাৰ অন্তৰ্ভুক্ত কৰিছে আৰু তেওঁলোকক ৰাজ্যৰ দ্বাৰা প্ৰস্তুত কৰা আইনৰ হস্তক্ষেপৰ পৰা মুক্ত কৰিছে। আমি অৱশ্যে ইয়াৰ বিপৰীত স্পষ্ট ইংগিতৰ অভাৱত ধৰি লোৱাটো কঠিন বুলি বিবেচনা কৰোঁ যে তেওঁলোকেও সেই অধিকাৰসমূহক সাংবিধানিক সংশোধনীৰ পৰা মুক্ত কৰাৰ উদ্দেশ্য লৈছিল।আমি ভাবিবলৈ আগ্ৰহী যে তেওঁলোকৰ মনত ছলি থকা কথাবোৰ হয়, অধিক সঘনাই সংঘটিত হোৱা ঘটনা, অৰ্থাৎ আইনী আৰু

কাৰ্যবাহী অঙ্গবোৰৰ দ্বাৰা তেওঁলোকৰ আইনী ক্ষমতা প্ৰয়োগ কৰি কৰা আইন আৰু নিয়মৰ জৰিয়তে প্ৰজাবোৰৰ অধিকাৰৰ ওপৰত আক্ৰমণ, সাৰ্বভৌম গঠনমূলক ক্ষমতা প্ৰয়োগ কৰি সংবিধানৰ পৰিৱৰ্তনেৰে এনে অধিকাৰ সংক্ষিপ্ত বা বাতিল কৰা নহয়। সেই ক্ষমতা, যদিও ইয়াক সংসদক অৰ্পণ কৰা হৈছে, ইমান নিষেধাজ্ঞাৰে আবৃত কৰা হৈছে যে ইয়াৰ ব্যৱহাৰ নিশ্চয় কঠিন আৰু বিৰল। আনহাতে, অনুচ্ছেদ ৩৬৮ ৰ চৰ্তাৱলী সম্পূৰ্ণৰূপে সাধাৰণ আৰু সংসদক সংবিধান সংশোধন কৰিবলৈ ক্ষমতা প্ৰদান কৰে, কোনো ব্যতিক্ৰম নোহোৱাকৈ। সেই বিধানৰ কাৰ্যকৰীকৰণৰ পৰা মৌলিক অধিকাৰ ৰক্ষা কৰাৰ উদ্দেশ্য হ'লে সেই উদ্দেশ্যৰ বাবে এটা বিধান যোগ কৰি সেই উদ্দেশ্য স্পষ্ট কৰাটো একেবাৰে সহজ হ'লহেঁতেন। চমুকৈ, আমাৰ ইয়াত দুটা অনুচ্ছেদ আছে যাৰ প্ৰতিটো ব্যাপকভাৱে বাক্যাংশযুক্ত, কিন্তু এটা আনটোৰ সৈতে কাৰ্যকলাপত বিবাদ। সুসংগত নিৰ্মাণৰ বাবে এটাক আনটোৰে নিয়ন্ত্ৰণকাৰী আৰু যোগ্যতা সম্পন্ন হিচাপে পঢ়িব লাগে।ওপৰত উল্লেখ কৰা বিবেচনা সমূহৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ মতামত এইটো যে ১৩ নং অনুচ্ছেদৰ প্ৰসংগত "আইন"ক সাধাৰণ বিধানসভাৰ ক্ষমতা প্ৰয়োগ কৰি কৰা নিয়ম বা বিধি বুলি ধৰিব লাগিব আৰু সংবিধানৰ ক্ষমতা প্ৰয়োগ কৰি কৰা সংবিধানৰ সংশোধনী বুলি ধৰিব নালাগে , যাৰ ফলত অনুচ্ছেদ ১৩(২) ই অনুচ্ছেদ ৩৬৮ৰ অধীনত কৰা সংশোধনীসমূহক প্ৰভাৱিত নকৰে।

কেৱল নতুনকৈ অন্তৰ্ভুক্ত কৰা অনুচ্ছেদ ৩১ক আৰু ৩১খৰ বিৰুদ্ধে নিৰ্দেশিত আপত্তিৰ মোকাবিলা কৰিবলৈ বাকী আছে।ইয়াৰে এটা আপত্তি ৩৬৮ নং অনুচ্ছেদৰ অধীনত অনুমোদনৰ অনুপস্থিতিৰ ওপৰত ভিত্তি কৰি কৰা হৈছে।কোৱা হৈছিল যে, সংশোধনী আইনৰ দ্বাৰা এই অনুচ্ছেদবোৰ অন্তৰ্ভুক্ত কৰাৰ আগতে, সংবিধানৰ ২২৬ নংঅনুচ্ছেদৰ অধীনত উচ্চ ন্যায়ালয়ৰ জেমিণ্ডাৰী বিলুপ্তি আইনক মৌলিক অধিকাৰ উলংঘন কৰা

বুলি কয় অসাংবিধানিক বুলি ঘোষণা কৰি উপযুক্ত ৰিট(লেখ) জাৰী কৰাৰ ক্ষমতা আছিল, আৰু এই ন্যায়ালয়ে ১৩২ বা ১৩৬ নং অনুচ্ছেদৰ অধীনত উচ্চ ন্যায়ালয়ৰ আদেশৰ পৰা আপীল গ্ৰহণ কৰিব পাৰে। দৰাচলতে, কিছুমান উচ্চ ন্যায়ালয়ে এনে ক্ষমতা প্ৰয়োগ কৰিছিল আৰু এই ন্যায়ালয়ে আপীল গ্ৰহণ কৰিছিল। নতুন অনুচ্ছেদবোৰে অৱশ্যে উচ্চ ন্যায়ালয়ৰ লগতে এই ন্যায়ালয়ক উক্ত আইনসমূহক অসাংবিধানিক ঘোষণা কৰাৰ ক্ষমতাৰ পৰা বঞ্চিত কৰে, আৰু ইয়াৰ দ্বাৰা পঞ্চম খণ্ডৰ ৪ নং অধ্যায় আৰু ষষ্ঠ খণ্ডৰ ৫ নং অধ্যায়ত পৰিৱৰ্তন কৰিব বিচাৰে।সেয়েহে দাখিল কৰা হৈছিল যে নতুনকৈ সন্নিৱিষ্ট কৰা অনুচ্ছেদসমূহৰ বাবে ৩৬৮ নং অনুচ্ছেদৰ বিধানৰ অধীনত অনুমোদনৰ প্ৰয়োজন।যুক্তিটো এটা ভুল ধাৰণাৰে আগবাঢ়িছে। এই অনুচ্ছেদবোৰ যিমানদূৰ ইয়াত বস্তুগত, এনেদৰে হয়:-

৩১ক। সম্পত্তি ইত্যাদি অধিগ্ৰহণৰ বাবে প্ৰদান কৰা আইনৰ -(১) এই অংশৰ পূৰ্বৱৰ্তী ব্যৱস্থাবোৰত একো নাথাকিলেও, কোনো সম্পত্তিৰ ৰাজ্যৰ দ্বাৰা অধিগ্ৰহণ বা তাত থকা কোনো অধিকাৰ বা এনে কোনো অধিকাৰ নোহোৱা কৰা বা সংশোধনৰ বাবে প্ৰদান কৰা কোনো আইনক এই কাৰণত বাতিল বা অকাৰ্যকৰী বুলি গণ্য কৰা নহ'ব যে ই অসঙ্গত,  বা এই অংশৰ যিকোনো বিধানৰ দ্বাৰা প্ৰদান কৰা যিকোনো অধিকাৰ কাঢ়ি নিব বা আঁতৰাই নিব বা আঁতৰাই দিব।

*    *    *    *

৩১খ। কিছুমান আইন আৰু নিয়মৰ বৈধতাকৰণ। অনুচ্ছেদ : ৩১ক -ত সন্নিবিষ্ট ব্যৱস্থাবোৰৰ সাধাৰণতাৰ প্ৰতি পক্ষপাতিত্ব নকৰাকৈ, নৱম অনুসূচীত নিৰ্ধাৰিত কোনো আইন আৰু নিয়মাৱলী বা ইয়াৰ কোনো ব্যৱস্থা বাতিল বুলি গণ্য কৰা নহ'ব, বা কেতিয়াও বাতিল হোৱা বুলি গণ্য কৰা নহ'ব, এই ভিত্তিত যে এনে আইন, নিয়ম বা

ব্যৱস্থা ৰ দ্বাৰা প্ৰদান কৰা যিকোনো অধিকাৰৰ সৈতে অসঙ্গত, বা কাঢ়ি লোৱা বা সংক্ষিপ্ত কৰা।  এই অংশৰ যিকোনো ব্যৱস্থা, আৰু ইয়াৰ বিপৰীতে যিকোনো আদালত বা ন্যায়াধিকৰণৰ কোনো ৰায়, ডিক্ৰী বা আদেশ স্বত্বেও, উক্ত আইন আৰু নিয়মাৱলীৰ প্ৰতিটো, যিকোনো সক্ষম আইনসভাৰ ইয়াক বাতিল বা সংশোধন কৰাৰ ক্ষমতা সাপেক্ষে, বলবৎ হৈ থাকিব।

দেখা যাব যে এই অনুচ্ছেদসমূহে ২২৬ নং অনুচ্ছেদ বা ১৩২ আৰু ১৩৬ নং অনুচ্ছেদত কোনো ধৰণৰ পৰিৱৰ্তন কৰিব বিচৰা নাই।৩১ক অনুচ্ছেদৰ লক্ষ্য হৈছে তৃতীয় খণ্ডৰ অন্যান্য প্ৰাসংগিক অনুচ্ছেদসমূহৰ সৈতে সহপাঠিত ১৩ নং অনুচ্ছেদৰ পৰিচালনাৰ পৰা ৰাজ্যখনে বাধ্যতামূলক ভাৱে অধিগ্ৰহণৰ ব্যৱস্থা কৰা আইনসমূহ ৰক্ষা কৰা, আনহাতে ৩১খ অনুচ্ছেদে ইতিমধ্যে গৃহীত হোৱা কিছুমান নিৰ্দিষ্ট আইন আৰু বিধিসমূহ বৈধতা প্ৰদান কৰাৰ উদ্দেশ্যে ৰাখে, যিটো, কিন্তু এনে ব্যৱস্থাৰ বাবে, ১৩ নং অনুচ্ছেদৰ অধীনত বিবাদৰ সন্মুখীন হ'বলগীয়া হ'ব।এইটো কোৱা টো শুদ্ধ নহয় যে ২২৬ নং অনুচ্ছেদৰ অধীনত উচ্চ ন্যায়ালয়ৰ "তৃতীয় খণ্ডৰ দ্বাৰা প্ৰদান কৰা যিকোনো অধিকাৰ বলবৎ কৰাৰ বাবে" বা ১৩২ আৰু ১৩৬ নং অনুচ্ছেদৰ অধীনত এই ন্যায়ালয়ৰ এনে ৰিট জাৰী কৰা বা অস্বীকাৰ কৰা আদেশৰ পৰা আপীল গ্ৰহণ কৰাৰ বাবে ৰিট (লেখ) জাৰী কৰাৰ ক্ষমতা যিকোনো প্ৰকাৰে প্ৰভাৱিত হয়।সেইবোৰ আগৰ দৰেই আছে: কেৱল এটা নিৰ্দিষ্ট শ্ৰেণীৰ গোচৰক দ্বিতীয় খণ্ডৰ আওতাৰ পৰা বাদ দিয়া হৈছে/আৰু আদালতে আৰু হস্তক্ষেপ কৰিব নোৱাৰিব, তেওঁলোকৰ ক্ষমতা যিকোনো প্ৰকাৰে বা যিকোনো পৰিমাণে হ্ৰাস কৰাৰ বাবে নহয়, কিন্তু এনে ক্ষেত্ৰত তেওঁলোকৰ ক্ষমতা প্ৰয়োগ কৰাৰ বাবে ইয়াৰ পিছত কোনো সুযোগ নাথাকিব।

আনটো আপত্তি যে নতুন অনুচ্ছেদসমূহ প্ৰণয়ন কৰাটো সংসদৰ ক্ষমতাৰ বাহিৰত আছিল সেয়াও সমানেই অযুক্তিকৰ। এইটো কোৱা হৈছিল যে তেওঁলোকে সপ্তম অনুসূচীৰ দ্বিতীয় তালিকাৰ ১৮ নং আইটেমৰ দ্বাৰা সামৰি লোৱা ভূমিৰ সৈতে সম্পৰ্কিত আৰু কেৱল ৰাজ্যৰ আইন সভাসমূহৰ হে সেই বিষয়টোৰ সন্দৰ্ভত আইন প্ৰণয়ন কৰাৰ ক্ষমতা আছে।উত্তৰটো হৈছে যে, যিদৰে কোৱা হৈছে, অনুচ্ছেদ ৩১ক আৰু ৩১খ অনুচ্ছেদে সঁচাকৈয়ে তৃতীয় খণ্ডৰ অন্যান্য প্ৰাসঙ্গিক অনুচ্ছেদৰ সৈতে সহপাঠিত অনুচ্ছেদ ১৩ নং অনুচ্ছেদৰ সংযুক্ত কাৰ্যকলাপৰ পৰা ইতিমধ্যে গৃহীত এক নিৰ্দিষ্ট শ্ৰেণীৰ আইন আৰু কিছুমান নিৰ্দিষ্ট আইন ৰক্ষা কৰিব বিচাৰে। এইদৰে নতুন অনুচ্ছেদসমূহ মূলতঃ সংবিধানৰ সংশোধনী হোৱাৰ বাবে সেইবোৰ প্ৰণয়নৰ ক্ষমতা কেৱল সংসদৰ হে আছে। এইদৰে সংৰক্ষিত আইনসমূহ দ্বিতীয় তালিকাত সামৰি লোৱা বিষয়সমূহৰ সৈতে জড়িত বুলি কোৱাটোৱে কোনো কাৰণতে স্থিতিটোক প্ৰভাৱিত নকৰে।

কোৱা হৈছিল যে সংসদে এনে আইনক বৈধতা প্ৰদান কৰিব নোৱাৰে যিটো আইন প্ৰণয়ন কৰাৰ ক্ষমতা নাথাকে। য'ত বিবাদিত বিধানটোৰ বৈধতা বিষয়টো গৃহীত কৰা বিধায়িনী দলৰ অধিকাৰক্ষেত্ৰৰ ভিতৰত পৰে নে নপৰে তাৰ ওপৰত নিৰ্ভৰ কৰে। কিন্তু সংবিধান উলংঘা কৰা আইন এখনক সাংবিধানিক ভাৱে বৈধ কৰাটো সাংবিধানিক সংশোধনীৰ বিষয়, আৰু সেইবাবেই ই সংসদৰ একচেটিয়া ক্ষমতাৰ ভিতৰত পৰে। ৩১খ অনুচ্ছেদৰ শেষৰ অংশটো অত্যাধিক বহলভাৱে প্ৰকাশ কৰা হৈছে নেকি এই প্ৰশ্নটো আমাৰ সন্মুখত যুক্তি দিয়া হোৱা নাছিল আৰু আমি ইয়াৰ ওপৰত কোনো মতামত প্ৰকাশ কৰা নাই। আবেদনসমূহ বিফল হয় আৰু খৰচৰ সৈতে খাৰিজ কৰা হয়।

আবেদনবোৰ খাৰিজ।

৮৭১, ৩৭২, ৩৮২, ৩৮৩, ৩৮৮ আৰু ৩৯২ নং আবেদনত আবেদনকাৰীৰ বাবে এজেন্ট: আই এন শ্ৰফ।

২৮৭, ৩৭৪ৰ পৰা ৩৮১, ৩৯৩, ৩৯৪, ৩৯৫ নং আবেদনত আবেদনকাৰীৰ এজেন্ট: ৰাজিন্দৰ নাৰায়ণ।

৩৮৭, ৪১৮, ৪৮১ৰ পৰা ৪৮৫, ৩৮৪, ৩৮৫, ৩৮৬ আৰু ৩৮৯ নং আবেদনত আবেদনকাৰীৰ বাবে এজেন্ট: এছ এছ সুক্লা

১৬৬ নং আবেদনত আবেদনকাৰীৰ বাবে এজেন্ট: এম.এছ.কে. শাস্ত্ৰী।

৮১৭ আৰু ৩১৯ নং আবেদনত আবেদনকাৰীৰ বাবে এজেন্ট: আৰ.এছ. নাৰুলা

৩১৮ নং আবেদনত আবেদনকাৰীৰ এজেন্ট: গণপত ৰায়।

উত্তৰদাতাসকলৰ বাবে এজেন্ট: পি.এ.মেহতা।

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used

for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব। "